**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 09-08-2024**
**Time : 18-45 Hrs**

**ASSAMESE EVENING BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::

১। বাংলাদেশৰ বৰ্তমানৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত-বাংলাদেশ সীমান্ত পৰ্যৱেক্ষণৰ বাবে কেন্দ্ৰ চৰকাৰৰ গৃহমন্ত্ৰ্যালয়ৰ এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন।

২। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰী নেতৃত্বাধীন গোটৰ বৈঠকত বি টি আৰত ১৬ খন গাঁও অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত।

৩। অসম আৰু মিজোৰামৰ মাজৰ দীৰ্ঘদিনীয়া সীমা সমস্যা সমাধানৰ বাবে আজি আইজলত দুয়োখন ৰাজ্যৰ মাজত মন্ত্ৰী পৰ্যায়ৰ বৈঠক।

৪। সংসদৰ বাজেট অধিৱেশনৰ সামৰণি।

*আৰু*

৫। পেৰিছ অলিম্পিকত ভাৰতীয় মল্লযুঁজাৰু অমন শ্বেৰাবটৰ আজি নিশা ১০ বাজি ৪৫ মিনিটৰ পৰা পৰ্টোৰিকৰ মল্লযোদ্ধাৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদক জয়ৰ যুঁজ।

০০০০০০০

বাংলাদেশৰ বৰ্তমানৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত-বাংলাদেশ সীমান্ত পৰ্যৱেক্ষণৰ বাবে কেন্দ্ৰ চৰকাৰৰ গৃহমন্ত্ৰ্যালয়ে এখন উচ্চ পৰ্যায়ৰ কমিটি গঠন কৰি দিছে। এই কমিটিখনে বাংলাদেশত থকা ভাৰতীয় নাগৰীক তথা দেশখনৰ সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ সুৰক্ষাৰ দিশটো লক্ষ্য ৰাখি বাংলাদেশ কৰ্তৃপক্ষৰ সৈতে যোগাযোগ বৰ্তাই ৰাখিব। সীমান্ত সুৰক্ষা বাহিনীৰ ইষ্টাৰ্ন কমাণ্ডৰ অতিৰিক্ত সঞ্চালক প্ৰধানক কমিটিখনৰ অধ্যক্ষৰ দায়িত্ব দিয়া হৈছে। গৃহ মন্ত্ৰালয়ৰ সীমা ব্যৱস্থাপনা বিভাগে গঠন কৰি দিয়া কমিটিখনৰ আন চাৰিগৰাকী সদস্য হিচাপে সীমান্ত সুৰক্ষা বাহিনীৰ দক্ষিণ বংগ সীমান্ত মুখ্য কাৰ্যালয়ৰ মহাপৰিদৰ্শক, সীমান্ত সুৰক্ষা বাহিনীৰ ত্ৰিপুৰা মুখ্য কাৰ্যালয়ৰ মহাপৰিদৰ্শক, স্থল-বন্দৰ কৰ্তৃপক্ষৰ উন্নয়ন আৰু পৰিকল্পনা বিভাগৰ সদস্য আৰু একেটা বিভাগৰে সচিবগৰাকী আছে।

০০০০০০০

দিছপুৰ লোককল্যাণ ভৱনত অনুষ্ঠিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী শৰ্মাই কেবিনেট সিদ্ধান্ত সন্দৰ্ভত কয় যে বিটিআৰত নতুনকৈ ১৬খন গাওঁ অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। পূৰ্বে বিটিআৰত ৪০খনতকৈও অধিক গাওঁ অন্তৰ্ভুক্ত কৰা হৈছিল। উল্লেখযোগ্য যে যোৱা বছৰে চৰকাৰে বিটিআৰত নতুনকৈ ৬০খন গাওঁ অন্তৰ্ভুক্ত কৰাৰ কথা প্ৰকাশ কৰিছিল। আজি কেবিনেট বৈঠকতে গণিতৰ স্নাতক শিক্ষক নামেৰে এটা নতুন পদ সৃষ্টি কৰা হৈছে বুলি জানিবলৈ দিয়ে। আনহাতে মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ স্থানীয় মাধ্যমত কেইবাখনো ভাল বিদ্যালয় গঢ়ি উঠিছে বুলি প্ৰকাশ কৰি কয় যে এনে বিদ্যালয়সমূহত ২৫শতাংশ আসন চৰকাৰে ল'ব পাৰে নেকি তেনে

ধৰণৰ এটা পৰামৰ্শ শিক্ষা বিভাগক দিয়া হৈছে। পৰামৰ্শ অনুসৰি শিক্ষাৰ্থীয়ে যাতে গুণগত শিক্ষা লাভ কৰিব পাৰে তাৰ বাবে প্ৰয়োজনীয় মাচুল চৰকাৰে বহন কৰিব। অৱশ্যে এনে সুবিধাৰ পৰা ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহ বঞ্চিত হ'ব। কেবিনেটৰ আন এটা সিদ্ধান্ত লোৱা অনুসৰি কাৰোবাৰ আয়কৰ ৫লাখ টকাৰ অধিক হ'লে তেওঁলোকক ছফটৱেৰ যোগ জাননি দিয়া হ'ব। ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ সুবিধাৰ বাবে চৰকাৰে এই ব্যৱস্থা গ্ৰহণ কৰিছে। আনহাতে, কেবিনেট বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকক কৰা সম্বোধনতে মেঘালয়ৰ ইউএছটিএম নামৰ শিক্ষা প্ৰতিষ্ঠানটোক পুনৰ সমালোচনা কৰে। প্ৰতিষ্ঠানটোৱে স্থপতিবিদৰ পৰামৰ্শ নোলোৱাকৈ নিৰ্মাণ কাৰ্য কৰাৰ লগতে বেয়াকৈ পাহাৰ খান্দিছে বুলি তেওঁ উল্লেখ কৰে। যোৱা দুবছৰে পাহাৰৰ মাটি অধিক খন্দাৰ বাবে নামনিত ইয়াৰ প্ৰভাৱ পৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ সৈতে কথা পতাৰ কথাও উল্লেখ কৰে।

০০০০০০০

অসম আৰু মিজোৰামৰ মাজৰ দীৰ্ঘদিনীয়া সীমা সমস্যা সমাধানৰ বাবে আজি দুয়োখন ৰাজ্যৰ মাজত মন্ত্ৰী পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব। ইতিমধ্যে ৰাজ্যখনত গৈ উপস্থিত হোৱা অসমৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন মন্ত্ৰী অতুল বৰাৰ নেতৃত্বৰ প্ৰতিনিধি দলটোক আইজল বিমান বন্দৰত মিজোৰামৰ গৃহ সচিবে আদৰণি জনায়। ৰাজ্যখনৰ গৃহ বিভাগে প্ৰকাশ কৰা মতে আইজলৰ ৰাজ্যিক অতিথিশালাত এই বৈঠক অনুষ্ঠিত হ'ব। অসমৰ মন্ত্ৰী দলটোক অতুল বৰাই নেতৃত্ব দিয়াৰ বিপৰীতে মিজোৰামৰ দলটোক ৰাজ্যখনৰ গৃহমন্ত্ৰী কে ছাপডাংগাই নেতৃত্ব দিব। দুয়োখন ৰাজ্যৰ মন্ত্ৰীসকলে এই সন্দৰ্ভত এখন সংবাদমেলো সম্বোধন কৰিব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী লালডোমহা নেতৃত্বাধীন জুৰাম পিপলছ মুভমেণ্ট দল শাসনলৈ অহাৰ পাছত এয়া ৰাজ্য দুখনৰ প্ৰথমখন সীমা সম্পৰ্কীয় বৈঠক হিচাপে পৰিগণিত হৈছে।

০০০০০০০০

ভাৰত ত্যাগ আন্দোলনৰ বাৰ্ষিকী উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাত্মা গান্ধীৰ নেতৃত্বত এই আন্দোলনত অংশ লোৱা বীৰ সেনানীসকলৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ স্বাধীনতা আন্দোলনত ভাৰত ত্যাগ আন্দোলনে বিশেষ ভূমিকা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে। এই আন্দোলনৰ ফলতে দেশৰ নাগৰিকসকলে সমস্বৰে এখন দুৰ্নীতিমুক্ত, পৰিয়ালতান্ত্ৰিক ৰাজনীতি আৰু তোষামোদৰ পৰা মুক্ত ৰাষ্ট্ৰ গঠনৰ বাবে মাত মাতিছে বুলি তেওঁ মন্তব্য কৰে। ইফালে, আজিৰে পৰা ১৫আগষ্ট পৰ্যন্ত হৰ ঘৰ তিৰংগা অভিযান অব্যাহত থাকিব। এই অভিযানৰ অংশ হিচাপে ১৩ আগষ্টত ৰাজধানী দিল্লীত সাংসদসকলৰ ত্ৰিৰংগ পতাকাসহ মটৰ চাইকেল সমদল উলিওৱা হ'ব। হৰ ঘৰ তিৰংগা অভিযান শুভাৰম্ভ কৰাৰ প্ৰাক্ ক্ষণত কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে দেশৰ নাগৰিকসকলৰ মাজত দেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় গৌৰৱৰ ভাৱ পুনৰ উজ্জীৱিত কৰাৰ বাবে এই অভিযান ৰূপায়ন কৰা হৈছে।

০০০০০০০০

অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলে এইমাহত ১০ আগষ্টৰ পৰিৱৰ্তে ১২ আগষ্টতহে আঁচনিৰ ধন লাভ কৰিব। ১০ আৰু ১১ আগষ্টত চৰকাৰী বন্ধ থকাৰ বাবে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলে এই মাহত পাবলগীয়া এহেজাৰ ২৫০ টকা ১২ আগষ্ট অৰ্থাৎ সোমবাৰে লাভ কৰিব। ৰাজ্য চৰকাৰৰ গৃহ বিভাগে আজি এখন প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে এই কথা প্ৰকাশ কৰিছে।

০০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ ৰুক্মিণী গাঁৱত থকা শ্ৰীশ্ৰী টঙনা সত্ৰৰ নৱ নিৰ্মিত কেইবাটাও ভৱনৰ উদ্বোধন কৰে। ২০২১-২২ বৰ্ষৰ চৰকাৰৰ আঁচুতীয়া পুঁজিৰ পৰা গুৱাহাটী মহানগৰৰ মাজমজিয়াত থকা সত্ৰখনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে এক কোটি ৩৫ লাখ টকা আৱণ্টন দিছিল। মহাপুৰুষ মাধৱদেৱৰ শিষ্য ৰামচৰণ ঠাকুৰৰ বৰপুত্ৰ দৈত্যাৰি ঠাকুৰে প্ৰায় ৪৫০ বছৰ পূৰ্বে প্ৰতিষ্ঠা কৰা ঐতিহ্যমণ্ডিত টঙৰা সত্ৰৰ চৌহদত চৰকাৰে আৱণ্টন দিয়া পুঁজিৰে সত্ৰখনৰ ভকতগৃহ, ভোজনগৃহ আৰু অতিথিশালা অত্যাধুনিক সা-সুবিধাৰে নিৰ্মাণ কৰি উলিওৱা হৈছে। এই অনুষ্ঠানত ভাগ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ সত্ৰসমূহক সহায়-সাহায্য কৰিবলৈ সকলোকে আহ্বান জনায়।

০০০০০০০০

ব্ৰহ্মপুত্ৰৰ ওপৰত থকা পুৰণি শৰাইঘাট দলংখনৰ জৰুৰীভাৱে মেৰামতি কৰাৰ বাবে কাইলৈ নিশা ১১ বজাৰ পৰা পৰহিলৈ পুৱা ৫ বজা পৰ্যন্ত দলংখনৰে যাতায়াতৰ সুবিধা বন্ধ থাকিব। এই সময়ছোৱাত  নতুন দলংখনেৰেই উভয় দিশৰ পৰা যান-বাহনে অহা-যোৱা কৰিব লাগিব। উত্তৰ-পূব সীমান্ত ৰে'লৱেই আজি এখন প্ৰেছ বিজ্ঞপ্তি যোগে এই কথা প্ৰকাশ কৰিছে।

০০০০০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন বিত্ত নিগম লিমিটেডৰ ২৯ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নেডফি ক্ষুদ্ৰ ঋণ আঁচনিৰ জৰিয়তে উত্তৰ-পূবৰ ১০ হাজাৰ হিতাধিকাৰীৰ মুঠ ১২৫ কোটি টকাৰ ঋণ প্ৰদানৰ বাবে প্ৰস্তুত কৰা এটা ম'বাইল এপ আনুষ্ঠানিক ভাবে মুকলি কৰে। একেটা অনুষ্ঠানতে ৰাজ্যৰ কৃষি আৰু উদ্যোগক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে সৰ্বেশ্বৰ বসুমতাৰী আৰু মুক্তামণি দেৱীক সম্বৰ্ধনা জনোৱা হয়।

০০০০০০০

অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায়ৰ অধীনত তিনিচুকীয়া জিলাৰ সকলো প্ৰান্তৰ এক হেক্টৰ কৈ অঞ্চল সামৰি ২৫খন গ্ৰাম্য অৰণ্য নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছে। আজি জিলাখনৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত জিলাখনৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে এই সিদ্ধান্তৰ প্ৰতি সঁহাৰি জনাই মূলতঃ এম জি এনেৰেগা আঁচনিৰ অধীনত এই অভিনৱ কাৰ্যসূচী ৰূপায়নৰ নিৰ্দেশ দিয়ে। ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দায়িত্বত থকা মন্ত্ৰীগৰাকীয়ে জবকাৰ্ড থকা লোকসকলক তেওঁলোকৰ ইচ্ছা অনুসৰি সম্পূৰ্ণ ১০০ দিনৰ কাম দি প্ৰকল্পটো সম্পূৰ্ণ কৰিবলৈ আহ্বান জনায়। এই গ্ৰাম্য হাবিসমূহত কাইটীয়া তাঁৰ বেৰ দিয়াৰ বাবে বিভাগৰ পৰা ধন ব্যয়তো তেওঁ অনুমোদন জনায়। মন্ত্ৰীগৰাকীয়ে এনে সুন্দৰ আৰু অভিনৱ উদ্ভাৱনীমূলক পৰিকল্পনা গ্ৰহণ কৰাৰ বাবে জিলা আয়ুক্তসহ প্ৰশাসনীয় বিষয়াসকলক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে এনে বনাঞ্চলসমূহ গঢ় লৈ উঠিলে ৰাজ্যৰ সেউজ পৰিবেশ সুস্থিৰ হোৱাৰ লগতে পৰিবেশ আৰু ভূমি সুৰক্ষাৰ ক্ষেত্ৰত সহায় হ'ব। ৰাজ্যৰ ভিতৰত এয়া প্ৰথম আৰু অভিনৱ পদক্ষেপ বুলি উল্লেখ কৰি তেওঁ কয় যে জিলাখনৰ আটাইকেইটা উন্নয়ন খণ্ডৰ বিবাদহীন খালী ঠাইসমূহত এই বনাঞ্চল গঢ়ি তোলা হ'ব। মন্ত্ৰীগৰাকীয়ে আজি এই পৰ্যালোচনা বৈঠকত অন্যান্য বিভাগীয় আঁচনিসমূহৰ ৰূপায়নৰ অগ্ৰগতি বুজ লোৱাৰ উপৰি বিষয়াসকলক যাৱতীয় পৰামৰ্শ আগবঢ়ায়। তেওঁ জিলাখনৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি হোৱা কেইবাটাও আন্তঃৰাজ্যিক বিষয় মুখ্যমন্ত্ৰীৰ সৈতে আলোচনাৰ মৰ্মে সমাধান কৰাৰ আশ্বাস দিয়ে।

০০০০০০০

সংসদৰ উভয় সদনৰ কাম-কাজ আজি অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা হয়। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে ১১৫ ঘণ্টা ধৰি চলা এই অধিবেশনৰ সময়ছোৱাত ১৫খন বৈঠক অনুষ্ঠিত হয়। তেওঁ কয় যে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে ২৩ জুলাইত ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট দাখিল কৰিছিল আৰু বাজেটক লৈ সদনত ২৭ ঘণ্টা আৰু ১৯ মিনিট ধৰি আলোচনা অনুষ্ঠিত হৈছিল। তেওঁ কয় যে অধিবেশনৰ সময়ছোৱাত ১২খন বিধেয়ক উত্থাপন কৰা হয় আৰু ইয়াৰে চাৰিখন লোকসভাত গৃহীত হয়। গৃহীত বিধেয়ককেইখনৰ ভিতৰত বিত্ত বিধেয়ক, বিনিয়োজন বিধেয়ক, জম্মু-কাশ্মীৰ বিনিয়োজন বিধেয়ক আৰু ভাৰতীয় বায়ু যান বিধেয়ক আছে। অধিবেশনৰ সময়ছোৱাত লোকসভাত ১৩৬ শতাংশ কাম-কাজ সম্পাদন হোৱা বুলি অধ্যক্ষ বিৰলাই প্ৰকাশ কৰে। ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে কয় যে উচ্চ সদনত কেন্দ্ৰীয় বাজেটক লৈ প্ৰায় ২২ ঘণ্টা আলোচনা অনুষ্ঠিত হয়। তেওঁ কয় যে অধিবেশনৰ সময়ছোৱাত প্ৰায় ৯০ ঘণ্টা ধৰি সদনৰ বৈঠক অনুষ্ঠিত হয়। সভাপতিগৰাকীয়ে সংসদৰ পৰৱৰ্ত্তী অধিবেশন প্ৰত্যেকগৰাকী সদস্য আৰু দেশৰ বাবে লাভজনক হ'ব বুলি আশা প্ৰকাশ কৰে। ২২ জুলাইত আৰম্ভ হোৱা সংসদৰ বাজেট অধিবেশন অহা সোমবাৰে সামৰণি পৰাৰ কথা আছিল।

0000000

অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ আলু আৰু পিঁয়াজ কঢ়িওৱা বাহনৰ ক্ষেত্ৰত সৃষ্টি হোৱা বাধা সন্দৰ্ভত খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আলু ব্যৱসায়ী সন্থাৰ প্ৰতিনিধিৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত ৰাজ্যত চাহিদা অনুসৰি পৰ্যাপ্ত পৰিমাণৰ আলু মজুত আছে বুলি ব্যৱসায়ী সন্থাই প্ৰকাশ কৰে।

0000000

তিনিচুকীয়া জিলা প্ৰশাসনে বিশেষভাৱে সক্ষম সকলক সহায়ৰ বাবে গ্ৰহণ কৰা চিন্তাশীল অভিযান কাৰ্যসূচীৰ অধীনত আজি ১৩৩জন লোকক বিনামূলীয়া সঁজুলি প্ৰদান কৰা হয়। ভাৰতীয় তেল নিগম আৰু কেন্দ্ৰীয় সামাজিক ন্যায় তথা সৱলীকৰণ বিভাগৰ সহায়ত ৰূপায়ন কৰিবলগীয়া এই কাৰ্যসূচী আজি জিলাখনৰ অভিভাৱক তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে উদ্বোধন কৰে। এই উপলক্ষে দিয়া ভাষণত মন্ত্ৰী শ্ৰীদাসে কয় যে ৰাইজৰ কল্যাণৰ হকে তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপনীল পালৰ নেতৃত্বত গ্ৰহণ কৰা এই প্ৰচেষ্টা অতি প্ৰশংসনীয়। জিলা সমাজ কল্যাণ বিভাগে এই অভিনৱ আৰু উদ্ভাৱনীমূলক কাৰ্যসূচীৰ অধীনত যোৱা তিনি মাহে ঘৰে ঘৰে গৈ বিশেষভাৱে সক্ষম লোকসকলক চিনাক্ত কৰাৰ লগতে কিছু পৰিমাণে সকাহ দিবলৈ কৰা চেষ্টা অতি মহৎ কাম বুলি তেওঁ কয়। আদৰণি ভাষণত জিলা আয়ুক্তগৰাকীয়ে সম্প্ৰতি জিলাখনত প্ৰায় ৬হাজাৰ ৫০০জন দিব্যাংগ লোক আছে বুলি জানিবলৈ দিয়ে। মিশ্যন থটফুল অভিযানৰ জৰিয়তে বাছনি কৰা লোকসকলক পৰ্যায়ক্ৰমে তেওঁলোকৰ প্ৰয়োজন অনুসৰি সঁজুলি যোগান ধৰাৰ লগতে কৃত্ৰিম অংগ সংস্থাপনৰো ব্যৱস্থা কৰা হৈছে।

0000000

বাক্সা জিলাৰ শিমলাত সমগ্ৰ শিক্ষা অভিযান অসমে পাঁচদিনীয়াকৈ আয়োজন কৰা বিজ্ঞান শিক্ষকৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে। ককলাবাৰী ছোৱালী হাইস্কুল আৰু ককলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই প্ৰশিক্ষণৰ আয়োজন কৰা হৈছিল। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশৰ উন্নতি সাধনৰ উদ্দেশ্যে প্ৰদান কৰা এই প্ৰশিক্ষণত ৯গৰাকী সমল ব্যক্তিয়ে বিভিন্ন বিষয়ে প্ৰশিক্ষণ দিয়ে। জালাহ খণ্ড অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ ৯২গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। বিজ্ঞানৰ বিভিন্ন আহিলা ব্যৱহাৰ কৰি

আৰু ৰাসায়নিক বিক্ৰিয়া সমূহ হাতে-কামে দেখুৱাই ছাত্ৰ-ছাত্ৰীসকলক মনোগ্ৰাহীকৈ শিক্ষা প্ৰদানৰ প্ৰশিক্ষণ দিয়া হয়। ইয়াৰ সৈতে সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন বিজ্ঞান প্ৰদৰ্শনী আয়োজন কৰা হয়।

0000000

বিশ্ব বেংকৰ অৰ্থ সাহায্য আৰু অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰণ আঁচনিৰ সহযোগত নিৰ্মিত চৰাইদেউ ৰেচম আৰু কৃষি উৎপাদক কোম্পানীৰ সামূহিক সহায়তা কেন্দ্ৰটো আজি মুকলি কৰা হয়। ৰেচম আৰু কৃষিক সামৰি চৰাইদেউ জিলা নাহৰহাবি গ্ৰান্তত স্থাপন হোৱা কেন্দ্ৰটো সোণাৰী বিধানসভা সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত চৰাইদেউ জিলা আয়ুক্তৰ লগতে ৰাজ্য চৰকাৰৰ হস্ততাত বস্ত্ৰ শিল্প, ৰেচম শিল্প বিভাগৰ কেইবাগৰাকী গৰাকী বিষয়ববীয়া আৰু চৰাইদেউ জিলাৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিশ্ব বেংকৰ প্ৰায় ৩২ লাখ টকা সাহায্যৰে সামূহিক সহায়তা কেন্দ্ৰটো নিৰ্মাণ কৰা হৈছে। উল্লেখযোগ্য যে, চৰাইদেউ ৰেচম আৰু কৃষি উৎপাদক কোম্পানীটোৰ সৈতে জিলাখনৰ ৪২০ গৰাকী মহিলা জড়িত হৈ আছে।

0000000

বৰপেটা জিলাৰ বৰপেটা মহাবিদ্যালয়ত আজি অসম চৰকাৰৰ নিযুত মইনা আঁচনিখন মুকলি কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত জিলা আয়ুক্ত আয়ুষ গাৰ্গ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই আঁচনিৰ অধীনত জিলাখনত সামৰি ল'বলগীয়া ছাত্ৰীৰ সংখ্যা হৈছে প্ৰায় ১৪হাজাৰ। ইতিমধ্যে তেওঁলোকৰ মাজত প্ৰ-পত্ৰ বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়তো আজি মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি অধীনত ৮১৯গৰাকী ছাত্ৰীক প্ৰ-পত্ৰ বিতৰণ কৰা হয়। এই অনুষ্ঠানটি উদ্বোধন কৰে পঞ্চায়ত তথা গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচায্য অধ্যাপক জিতেন হাজৰিকা, ডিব্ৰুগড় জিলাৰ আয়ুক্ত বিক্ৰম কৈৰীৰ লগতে ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাজ্যৰ ছাত্ৰীসকলৰ সবলীকৰণ, উচ্চ শিক্ষাৰ বাট প্ৰশস্তকৰণ আৰু বাল্য বিবাহ ৰোধৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত **মুখ্যমন্ত্ৰীৰ নিযুত মইনা** আঁচনিৰ উদ্বোধন কৰিছিল। এই আঁচনিখনে অহা ৩ বছৰত ১০ লাখ ছাত্ৰীক সামৰি ল'ব। বাল্য বিবাহৰ দৰে কুসংস্কাৰ ৰোধৰ লগতে অপৈণত বয়সতে মাতৃত্ব লাভৰ দৰে সমস্যাৰ পৰা কন্যাসকলক ৰক্ষা কৰাৰ লক্ষ্যৰে এই আঁচনিখন ৰূপায়ণ কৰা হৈছে।

0000000

জলজীৱন মিছনৰ হিতাধিকাৰী আৰু শিক্ষাৰ্থীৰ মতামত গ্ৰহণৰ লগতে পানীৰ সঠিক ব্যৱহাৰ, বিশুদ্ধ খোৱাপানীৰ প্ৰয়োজনীয়তা আদিৰ বিষয়ে ৰাইজক সজাগ কৰাৰ লগতে অসুবিধাসমূহ দূৰ কৰাৰ উদ্দেশ্যে পাইলট প্ৰজেক্ট হিচাপে কাইলৈ গোৱালপাৰা জিলাত গাঁও পঞ্চায়ত ভিত্তিত জল সচেতনতা অভিযান চলোৱা হ'ব। গোৱালপাৰা জনস্বাস্থ্য কাৰিকৰি বিভাগৰ কাৰ্যবাহী অভিযন্তাগৰাকীয়ে জনোৱা অনুসৰি জল সচেতনতা অভিযানৰ সময়ত গোৱালপাৰা জিলাৰ যিকেইখন গাঁও আৰু বিদ্যালয়ত জলজীৱন মিছনৰ আঁচনি ৰূপায়ণ কৰা হৈছে সেই আঁচনিসমূহ কেনেদৰে চলি আছে সেই বিষয়ে প্ৰতিবেদন প্ৰস্তুত কৰা হ'ব। জিলাখনৰ ৮১ খন গাঁও পঞ্চায়তৰ ৭২টা পঞ্চায়তৰ ৭৪ টা পানী যোগান আঁচনি পৰিদৰ্শনৰ বাবে একোগৰাকীকৈ চৰকাৰী বিষয়া প্ৰেৰণ কৰা হ'ব। এই বিষয়াসকলে জলজীৱন আঁচনিৰ লগতে পানীৰ সদ্ব্যৱহাৰ বিষয়েও গাঁওবাসীক সজাগ কৰিব। উল্লেখযোগ্য যে জিলাখনৰ আঁচনিসমূহৰ জৰিয়তে হিতাধিকাৰীসকলক বিশুদ্ধ খোৱাপানী যোগান ধৰিবলৈ ৭৬৭ গৰাকী  জলমিত্ৰ নিয়োগ কৰি প্ৰশিক্ষণ দিয়া হৈছে।

০০০০০০০

রাজ্য চৰকাৰৰ আৰোহণ শীৰ্ষক কাৰ্যসূচীৰ অধীনত বৰপেটা জিলাৰ প্ৰায় ২৮৫ গৰাকী শিক্ষাৰ্থীৰ সৈতে আজি জিলা আয়ুক্ত আয়ুষ গৰ্গে মত বিনিময় কৰে। নৱম শ্ৰেণীৰ মধাৱী শিক্ষাৰ্থীসকলে ভৱিষ্যতে কি কি বিষয়ত অধ্যয়ন কৰিব পাৰে সেই বিষয়ে অৱগত কৰোৱা, লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত শিক্ষাৰ্থীসকলৰ কৰ্তব্য কি হোৱা উচিত আৰু লক্ষ্যপ্ৰাপ্তিৰ বাবে তেওঁলোকে কিদৰে আগবাঢ়িব সেই সম্পৰ্কে আয়ুক্তগৰাকীয়ে শিক্ষাৰ্থীসকলৰ সৈতে আলোচনা কৰা। অনুষ্ঠানত কেইবাগৰাকী সমল ব্যক্তিৰ লগতে উচ্চ শিক্ষা গ্ৰহণ কৰা কেইবাগৰাকী মেধাবী ছাত্ৰ-ছাত্ৰীও উপস্থিত থাকে।

০০০০০০০

ভাৰতীয় মল্লযুঁজাৰু অমন শ্বেৰাবটে আজি পেৰিছ্ অলিম্পিকত ব্ৰঞ্জৰ পদক জয়ৰ যুঁজত অৱতীৰ্ণ হ'ব। পুৰুষ মল্লযুঁজৰ ৫৭ কিলোগ্ৰাম শাখাত অমনে প'ৰ্ট ৰিক'ৰ মল্লযুঁজাৰু ডাৰিয়ান ক্ৰুজৰ বিৰুদ্ধে যুঁজ দিব। ভাৰতীয় সময় অনুসৰি নিশা ১০ বাজি ৪৫ মিনিটৰ পৰা খেলখন খেলোৱা হ'ব। অমন শ্বেৰাবটে যোৱা নিশা মল্লযুঁজৰ ছেমিফাইনেলত জাপানৰ ৰেই হিগুছিৰ বিৰুদ্ধে খেলি পৰাজয় বৰণ কৰে। আজি শাখাটোৰ তৃতীয় স্থান তথা ব্ৰঞ্জৰ পদকৰ বাবে হ'বলগীয়া যুঁজত ভাৰতীয় মল্লযুঁজাৰুগৰাকীয়ে ভাগ ল'ব।

০০০০০০০

সমাপ্ত